19

20

21

22

23

মানুহৰ দুখৰ আৰম্ভ



লখিছে: Edward Hughes
ব্যাখ্যা কৰছে: Byron Unger; Lazarus Alastair Paterson

গ্ৰহণ কৰছে: M. Maillot; Tammy S.
অনুবাদ কৰছে:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.

কাহনী 2 ৰ 60

M1914.org

Bible for Children, PO Box 3, Winnipeg MB R3C 2G1 Canada

অনুমতি: এই কাহনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰী নকৰিব।

ঈশ্বৰে জানে, আমি বেয়া কামবোৰ কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিয়ে। পাপৰ বেচ হৈছে মৃত্যু।

ঈশ্বৰে আমাক *ইমান* প্ৰেম কৰে যে, আমাৰ পাপৰ বেচ ক্ৰুচত মৃত্যু বৰণ কৰিবলৈ তেওঁ নিজৰ পুত্ৰক পঠাই দিছিল। **যীচু জীৱিত হৈ** স্বৰ্গলৈ উভতি গল এতিয়া ঈশ্বৰে আমাক পাপ ক্ষমা কৰি দিব পাৰে।

তুমি যদি তোমাৰ পাপবোৰলৈ পিঠি দিব বিচৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা: প্ৰেমময় ঈশ্বৰ, মই বিশ্বাস কৰো যে, যীচুৱে মোৰ কাৰণে মৃত্যুবৰণ কৰিলে আৰু এতিয়া তেওঁ জীৱিত। অনুগ্ৰহ কৰি মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰি দিয়ক, যাতে মই এতিয়া এক নতুন জীৱন পাব পাৰো, আৰু আপোনাৰ লগত চিৰকাল থাকিব পাৰো। আপোনাৰ সন্তান হিচাপে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন। যোহন ৩:১৬ পদ।

বাইবেলখন পঢ়িবা আৰু প্ৰতিদিনেই **ঈশ্বৰৰ লগত কথোপকথন কৰিবা!**

অসমীয়া Assamese




ঈশ্বৰৰ অবাধ্য হোৱা পিছত তাই আদমকো সেই ফল খাবলৈ দিয়ে। আদমে কব লাগিছিল, "নাই নহয়! মই ঈশ্বৰৰ বাক্যৰ অবাধ্য নহঁও!"
3
যেতিয়া আদম আৰু হৱাই পাপ কৰিলে, তেতিয়া তেওঁলোক দুয়ো জানিলে যে তেওঁলোক উলংগ। ডিমৰু পাতেৰে কপিং সিয়াই তেওঁলোকে নিজকে ঢাকিলে, আৰু ঈশ্বৰৰ উপস্থিতিৰ পৰা সাৰিবলৈ বাৰীৰ জোপোহাৰ মাজত লুকালে গৈ।
4
দিনৰ জুৰ পৰা সময়ত ঈশ্বৰ বাৰীলৈ আহিল। আদম আৰু হৱাই কি কৰিলে তাক তেওঁ জানিছিল। আদমে হৱাক দোষ দিলে। হৱাই সৰ্পক দোষ দিলে ঈশ্বৰে কলে, "সৰ্পক অভিশাপ দিয়া হ'ল। সন্তান জন্মৰ সময়ত নাৰীৰ প্ৰসৱ বেদনা হ'ব।" "আদম, তুমি পাপ কৰা কাৰণে, কাঁইট আৰু কাঁইটীয়া বনেৰে ভূমি অভিশপ্ত হ'ল। তোমাৰ দৈনিক আহাৰৰ কাৰণে তুমি কষ্ট কৰি ঘাম বোৱাবা।"
5
সেই সুন্দৰ বাৰীখনৰ পৰা ঈশ্বৰে আদম আৰু হৱাক বাহিৰ কৰি দিলে। তেওঁলোকে পাপ কৰা কাৰণে, জীৱন দিওঁতা ঈশ্বৰৰ পৰা তেওঁলোকক পৃথক কৰা হৈছিল। তেওঁলোকক বাহিৰত ৰাখিবৰ কাৰণে ঈশ্বৰে জলন্তময় তৰোৱাল নিৰ্ম্মাণ কৰিলে। আদম আৰু হৱাৰ কাৰণে ঈশ্বৰে ছালৰ বস্ত্ৰ কৰি দিলে। ঈশ্বৰে ছালবোৰ কৰ পৰা পাইছিল?
6
কালক্ৰম, আদম আৰু হৱাৰ এটি পৰিয়ালৰ জন্ম হৈছিল তেওঁলোকৰ প্ৰথম সন্তান, কয়িন, খেতিয়ক আছিল। তেওঁলোকৰ দ্বিতীয় সন্তান, হেৱল, মেৰৰখীয়া আছিল। এদিনাখন কয়িনে ঈশ্বৰলৈ উপহাৰ স্বৰূপে কিছুমান শাক-পাচলি আনিছিল। হেৱলেও ঈশ্বৰলৈ উপহাৰ স্বৰূপে তেওঁৰ পহুৰজাকৰ পৰা অতি উত্তম পহুবোৰ আনিছিল। হেৱলৰ উপহাৰত ঈশ্বৰ সন্তুষ্ট হৈছিল।
7
কয়িনৰ উপহাৰবোৰত ঈশ্বৰ সন্তুষ্ট হোৱা নাছিল। কয়িন বৰ ক্ৰোধিত হৈছিল। কিন্তু ঈশ্বৰে কলে "তুমি ভাল কৰিলে জানো, তোমাক গ্ৰহণ কৰা নহব?
8
কয়িনৰ ক্ৰোধ আতঁৰি যোৱা নাছিল। কিছুসময় পিছত পথাৰত তেওঁ হেৱলক আক্ৰমণ কৰি – তেওঁক বধ কৰিলে।
9
ঈশ্বৰে কয়িনক কলে, "তোমাৰ ভায়েৰা হেৱল কত আছে? কয়িনে মিছা মাতিলে, "মই কিবা মোৰ ভাইৰ ৰখীয়া নে? ঈশ্বৰে কয়িনৰ খেতি কৰিব পাৰা গুণ কাঢ়ি লৈ তেওঁক পলৰীয়া আৰু থানথিত নোহোৱা কৰি শাস্তি দিছিল।
10
কয়িনে প্ৰভুৰ সন্মুখৰ পৰা আঁতৰি ওলাই গৈছিল। আদম আৰু হৱাৰ এগৰাকী কন্যা সন্তানৰ লগত তেওঁৰ বিবাহ হৈছিল। তেওঁলোকৰ এটি পৰিয়াল হৈছিল। অতি সোনকালে কয়িনে আবিস্কাৰ কৰা চহৰখন তেওঁৰ নাতি-নাতিনী আৰু আজু নাতি-নাতিনীৰে ভৰি পৰিল।
11
সময়ত, আদম আৰু হৱাৰ পৰিয়ালো বৃদ্ধি পাবলৈ ধৰিলে। সেই সময়ত, আজিৰ তুলনাত মানুহবিলাক বহু বহু বছৰলৈ জীয়াই আছিল।
12
যেতিয়া তাইৰ পুত্ৰ চেথৰ জন্ম হৈছিল, তেতিয়া হৱাই কলে, "ঈশ্বৰে হেৱলৰ সলনি মোক আৰু এটি সন্তান দিলে।" চেথ এগৰাকী ঈশ্বৰ ভয়কাৰী লোক আছিল যিজনে ৯১২ বছৰ জীয়াই আছিল আৰু তেওঁৰ বহুতো সন্তান আছিল।
13
এটা যুগৰ পৰা আনটো যুগলৈ পৃথিৱীৰ লোকসকল ক্ৰমান্বয়ে দুষ্টতাৰে পৰিপূৰ্ণ হৈ গৈছিল। অৱশেষত পৃথিৱী বিনষ্ট কৰিবলৈ ঈশ্বৰে সিদ্ধান্ত লৈছিল সকলো পশু আৰু চৰাই। মানুহ নিৰ্ম্মাণ কৰা কাৰণে ঈশ্বৰে বেজাৰ পাইছিল। কিন্তু এজন মানুহে ঈশ্বৰক সন্তুষ্ট কৰিছিল ...
14
এই মানুহজন নোহ আছিল। চেথৰ বংশধৰ, নোহ ধাৰ্ম্মিক আৰু সিদ্ধ লোক আছিল। তেওঁ ঈশ্বৰৰ লগত চলাচল কৰিছিল। নিজৰ তিনিজন পুত্ৰকো ঈশ্বৰৰ বাধ্য হবলৈ তেওঁ শিক্ষা দিছিল। ঈশ্বৰে নোহক বৰ আচৰিত আৰু বিশেষ ধৰণে ব্যৱহাৰ কৰিবলৈ পৰিকল্পনা লৈছিল!
15
মানুহৰ দুখৰ আৰম্ভ
ঈশ্বৰৰ বাক্য, বাইবেলত
এই কাহিনী পোৱা যায়
আদিপুস্তক ৩ – ৬ অধ্যায়
"তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।"
গীতমালা ১১৯:১৩০ পদ
16
17
18